**ৰাজশেখৰ গগৈ**

**বনাম**

**অসম ৰাজ্য আৰু অন্যান্য**

**৩মে, ২০০১**

[ন্যায়াধীশ বি. এন. কিৰপাল আৰু ন্যায়াধীশ ৰুমা পাল]

*অসম শুল্ক নিৰ্ধাৰণ বিধি, ১৯৪৫:*

*নিয়ম ২০৬ আৰু ২২৩।*

*দেশীয় সুৰাৰ দোকান- টেণ্ডাৰ(নিবিদা)- প্ৰয়োজনীয় বিৱৰণ দিয়াত ব্যৰ্থতা- টেণ্ডাৰ নাকচ।*

*দেশীৰ সুৰাৰ দোকান- নিষ্পত্তিৰ বাবে টেণ্ডাৰ- উত্তৰদাতা নং 4, এজন শিক্ষিত নিবনুৱাৰ পক্ষত ৰায়- উত্তৰদাতা নং 4-য়ে টেণ্ডাৰ ফৰ্মত তেওঁৰ বিত্তীয় সামৰ্থ্যৰ বিৱৰণ নিদিয়ে- তেওঁ পিতৃ আৰু অন্যান্য আত্মীয়ৰ পৰা বিত্তীয় সহায় লাভ কৰিব বুলি উল্লেখ কৰি- হাতত থকা নগদ ধন, বেংকৰ বেলেন্স বা সুৰক্ষা সম্পত্তি আদিৰ বিষয়ে কোনো বিৱৰণ দিয়া হোৱা নাই যাতে, উপ-আয়ুক্তক বিত্তীয় সামৰ্থ্য পৰীক্ষা কৰিবলৈ সক্ষম কৰিব পাৰি- ৰাজহ পৰিষদৰ আগত আপীলকাৰীয়ে সফলতাৰে প্ৰত্যাহ্বান জনোৱা টেণ্ডাৰৰ সিদ্ধান্তৰ মতে উত্তৰদাতাই তেওঁৰ বিত্তীয় উৎসৰ বিষয়ে আগবঢ়োৱা তথ্যবোৰ নিৰ্ভৰযোগ্য নহয় – ৰুল২০৬ বাধ্যতামূলক- উচ্চ ন্যায়ালয়ৰ একক ন্যায়াধীশৰ দ্বাৰা নিশ্চিত কৰা ৰাজহ পৰিষদৰ সিদ্ধান্ত- খণ্ড বিচাৰপীঠে ৰায় দিছিল যে,*

*ব'র্ডৰ সিদ্ধান্ত যে, ৰুল ২০৬ বাধ্যতামূলক আছিল যি ৰেকৰ্ডৰ সন্মুখত এটা স্পষ্ট ত্ৰুটি- উচ্চতম ন্যায়ালয়ৰ আগত আবেদন- টেণ্ডাৰ প্ৰপত্ৰত সবিশেষ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা স্পষ্টভাৱে সংশ্লিষ্ট কৰ্তৃপক্ষক টেণ্ডাৰৰ বিত্তীয় সামৰ্থ্য নিৰ্ধাৰণ কৰিবলৈ টেণ্ডাৰ পৰীক্ষা কৰিবলৈ সক্ষম কৰাৰ বাবে- উত্তৰদাতা নং ৪-ৰ টেণ্ডাৰ এনে বিৱৰণৰ অভাৱৰ বাবে নাকচ কৰা হ'ব পাৰে- উপস্থাপন কৰে, ৰুল ২০৬ বাধ্যতামূলক।*

*বিষ্ণু ৰাম বৰা আৰু আনএজন বনাম পৰাগ শইকীয়া আৰু অন্যান্য,* এ. আই. আৰ. (১৯৮৪) এছ. চি. ৮৯৮, উল্লেখ কৰা হৈছে।

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ- ২০০১চনৰ ৩৫৯২নং দেৱানী আপীল।

১৯৯৯চনৰ ডব্লিউ. এ. নং ৩৪৯ত গৌহাটী উচ্চ ন্যায়ালয়ৰ ০৭-০৩-২০০০তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীসকলৰ হৈ পি. কে. গোস্বামী, ৰাজীৱ মেহতা আৰু আৰ ৰহিম।

উত্তৰদাতাসকলৰ বাবে ৰাজু ৰামচন্দ্ৰন, শ্ৰীমতী কৃষ্ণ শৰ্মা, জে. আৰ. লুৱাং, পৰিমল প্ৰসাদ আৰু চঞ্চল কুমাৰ গাঙ্গুলী।

আদালতৰ নিম্নলিখিত নিৰ্দেশ প্ৰদান কৰা হৈছিলঃ

বিশেষ অনুমতি দিয়া হৈছে।

বৰ্তমানৰ গোচৰটোৰ বিবাদটো উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ সিদ্ধান্তৰ ফলস্বৰূপে উত্তৰদাতা নং ৪ৰ পক্ষত এখন দেশৰ সুৰাৰ দোকানৰ নিষ্পত্তিৰ সৈতে জড়িত।

১৯৯৮চনৰ অক্টোবৰত এখন দোকানৰ নিষ্পত্তিৰ বাবে এখন টেণ্ডাৰৰ জাননী জাৰি কৰা হৈছিল। আপীলকাৰীয়ে উত্তৰদাতা নং ৪ আৰু আন এজন ব্যক্তিৰ সৈতে অসম শুল্ক নিৰ্ধাৰণ বিধি, ১৯৪৫-ৰ নিয়ম ২০৬-ৰ অধীনত নিৰ্ধাৰিত প্ৰ-পত্ৰত আবেদন দাখিল কৰিছিল। ৰুল ২২৩ অনুসৰি শিক্ষিত নিবনুৱাক অগ্ৰাধিকাৰ দিব লগা হৈছিল। উক্ত নিয়মটোৰ টোকাত কোৱা হৈছিল যে, এজন শিক্ষিত নিবনুৱা হ'ব- যি এইচ.এছ.এল.চি. বা সমতুল্য পৰীক্ষাত উত্তীৰ্ণ হৈছে লগতে নিযুক্তিহীন।

১৯৯৮চনৰ ২৮ডিচেম্বৰত নিষ্পত্তিৰ ক্ৰমত ৪নং উত্তৰদাতাৰ আবেদন গ্ৰহণ কৰা হৈছিল। ইয়াক আপীলকাৰী আৰু আন এজন অসফল টেণ্ডাৰৰ দ্বাৰা ৰাজহ পৰিষদৰ আগত আবেদন দাখিল কৰি প্ৰত্যাহ্বান জনোৱা হৈছিল। আবেদনখনত দুটা যুক্তি উত্থাপন কৰা হৈছিল- প্ৰথমতে উত্তৰদাতা ৪নং-ক ৰুল ২২৩(২)-ত সেই অভিব্যক্তিৰ অৰ্থৰ ভিতৰত এগৰাকী শিক্ষিত নিবনুৱা যুৱক হিচাপে গণ্য কৰিব নোৱাৰি আৰু দ্বিতীয়তে, দাখিল কৰা আবেদনত বিত্তীয় বিৱৰণ উক্ত উত্তৰদাতাই দিয়া নাছিল। প্ৰথম যুক্তিৰ সমৰ্থনত, আপীলকাৰীৰ গোচৰটো আছিল যে উত্তৰদাতা নং ৪, ১৯৯৮চনৰ জুনত পৰীক্ষাত অৱতীৰ্ণ হৈছিল কিন্তু, বিফল হৈছিল। তাৰপিছত, ১৯৯৯চনৰ মাৰ্চ মাহত তেওঁ এগৰাকী নন- কলেজিয়েট ছাত্ৰী হিচাপে উপস্থিত হৈছিল। এই দাবী কৰা হৈছিল যে, উত্তৰদাতা নং ৪-য়ে পঢ়া-শুনা কৰি আছিল বাবে 'শিক্ষিত নিবনুৱা' শ্ৰেণীৰ অন্তৰ্গত বুলি গণ্য কৰিব নোৱাৰি আৰু এই দিশত ভিত্তি- *বিষ্ণু ৰাম বৰা আৰু আন এজন বনাম পৰাগ শইকীয়া আৰু অন্যান্য*-ত এই আদালতৰ সিদ্ধান্তত ৰখা হৈছিল, এ. আই. আৰ. (১৯৮৪) এছ. চি. ৮৯৮।

আপীলকাৰীয়ে দাখিল কৰা আবেদনখন ব'ৰ্ডে এই সিদ্ধান্তত উপনীত হোৱাৰ লগে লগে গ্ৰহণ কৰা হৈছিল যে, উত্তৰদাতা নং ৪-ক এগৰাকী শিক্ষিত 'নিবনুৱা যুৱক হিচাপে গণ্য কৰিব নোৱাৰি আৰু দ্বিতীয়তে, উক্ত উত্তৰদাতা নং ৪-ই তেওঁৰ বিত্তীয় উৎসৰ বিষয়ে আগবঢ়োৱা

তথ্যবোৰ নিৰ্ভৰযোগ্য নাছিল। এই সিদ্ধান্তত উপনীত হোৱাৰ সময়ত, ধাৰণা কৰিছিল যে, ৰুল ২০৬ৰ ব্যৱস্থাসমূহ বাধ্যতামূলক।

ব'ৰ্ডৰ সিদ্ধান্তক উত্তৰদাতাই উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰি প্ৰত্যাহ্বান জনাইছিল। একক ন্যায়াধীশগৰাকীয়ে সেইকথা নাকচ কৰিছিল আৰু পৰিষদৰ সিদ্ধান্তক নিশ্চিত কৰিছিল। উত্তৰদাতা নং ৪-ৰ দ্বাৰা দাখিল কৰা letters patent appeal সফল হৈছিল। খণ্ড বিচাৰপীঠে এই সিদ্ধান্তত উপনীত হৈছিল যে, ৰুল ২০৬ বাধ্যতামূলক বুলি ব'ৰ্ডৰ সিদ্ধান্তটো ৰেকৰ্ডৰ সন্মুখত এক স্পষ্ট ক্ৰুটি আছিলঃ ইয়াৰ উপৰিও ৪নং উত্তৰদাতা ৰুল ২২৩(২)ৰ অভিব্যক্তিৰ অৰ্থৰ ভিতৰত এগৰাকী শিক্ষিত নিবনুৱা যুৱক আছিল।

আমাৰ দৃষ্টিভংগীৰ পৰা উত্তৰদাতা নং ৪ক শিক্ষিত নিবনুৱা যুৱক হিচাপে গণ্য কৰিব পাৰি নে নোৱাৰি সেই প্ৰশ্নলৈ যোৱাৰ প্ৰয়োজন নাই। আমাৰ দৃষ্টিত এনে লাগিছে যে, তেওঁৰ আবেদন আৰম্ভণিতে নাকচ কৰা উচিত আছিল। আমি এইকথা স্পষ্ট কৰি দিছোঁ যে, ইয়াৰ অৰ্থ এই নহয় যে আমি উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক নিশ্চিত- তেওঁ এগৰাকী শিক্ষিত নিবনুৱা যুৱতী আছিল।

১৯৮১চনৰ সংশোধনীৰ পিছত ৰুল ২০৬ তলত উল্লেখ কৰা ধৰণৰঃ

> "২০৬. (১) ৰাজ্য চৰকাৰৰ বিশেষ অনুমোদনৰ বাহিৰে সকলো দেশীয় দোকান টেণ্ডাৰ ব্যৱস্থাৰ অধীনত নিষ্পত্তি কৰা হ'ব।
>
> (২) টেণ্ডাৰবোৰ এনেধৰণৰ হ'ব লাগিব আৰু ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰিব পৰা বিৱৰণ থাকিব লাগিব। সকলো বিৱৰণ নথকা টেণ্ডাৰসমূহ নাকচ হ'ব পাৰে।

(৩) প্ৰতিখন টেণ্ডাৰত court fee stamp(আদালতৰ মাচুল) ২৪.৭৫টকা বহন কৰিব লাগিব বা সময়ে সময়ে ৰাজ্য চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত আন যিকোনো পৰিমাণ।

(৪) প্ৰতিখন টেণ্ডাৰ এখন দোকানৰ বাবে হ'ব, কিন্তু যিকোনো ব্যক্তিয়ে যিকোনো সংখ্যক দোকানৰ বাবে পৃথক টেণ্ডাৰ দাখিল কৰিব পাৰে। টেণ্ডাৰ এখন দোকানৰ পৰা আন এখন দোকানলৈ স্থানান্তৰযোগ্য নহয়। অধিসূচিত সময়ৰ ভিতৰত দোকানৰ বাবে প্ৰস্তাৱ নকৰা কোনো ব্যক্তিৰ সৈতে কোনো দোকান নিষ্পত্তি কৰা নহ'ব। যেতিয়াই এইটো পোৱা যায় যে, জাননী দিয়া সময়ৰ ভিতৰত কোনো দোকানৰ বাবে কোনো টেণ্ডাৰ পোৱা হোৱা নাই বা য'ত টেণ্ডাৰকাৰীসকলৰ মাজৰ পৰা কোনো উপযুক্ত ব্যক্তি নিষ্পত্তিৰ বাবে নহয়, এনে দোকানৰ বাবে টেণ্ডাৰ আমন্ত্ৰণ কৰি নতুন জাননী জাৰি কৰা হ'ব; যদিহে এইক্ষেত্ৰত দহ দিনৰ জাননী পৰ্যাপ্ত হ’ব।"

এইটো স্বীকাৰ কৰা হয় যে, ১৯৮১চনৰ পূৰ্বে নিয়ম ২০৬ৰ উপ-নিয়ম (২)ত সংঘটিত হোৱা "সকলো বিৱৰণ নথকা টেণ্ডাৰসমূহ নাকচ কৰাৰ বাবে দায়বদ্ধ হ'ব" বাক্যটো নাছিল। এই কাৰণেই অসম উচ্চ ন্যায়ালয়ৰ পূৰ্বৰ সিদ্ধান্তত এই সিদ্ধান্তত উপনীত হৈছিল যে উক্ত ইন্ধন বাধ্যতামূলক নাছিল, বিশেষকৈ যেতিয়া ই নিৰ্ধাৰিত প্ৰ-পত্ৰ অনুসৰি আবেদন দাখিল নকৰাৰ ক্ষেত্ৰত পৰিণামৰ ব্যৱস্থা কৰা নাছিল। টেণ্ডাৰ প্ৰপত্ৰৰ ১১নং স্তম্ভটো তলত উল্লেখ কৰা ধৰণৰঃ

"১১. টেণ্ডাৰাৰজনে নিজেই নিজৰ ব্যৱসায়ত বিত্তীয় সাহায্য আগবঢ়াব পাৰিবনে নাই। উৎসৰ সবিশেষ দিয়ক। হাতত নগদ ধন, বেংকৰ বেলেন্স, সুৰক্ষা, সম্পত্তি ইত্যাদি।"

উত্তৰত উত্তৰদাতা নং ৪-এ তলত উল্লেখ কৰিছেঃ

> "হয়, মই ব্যৱসায় চলাব পৰাকৈ আৰ্থিকভাৱে যথেষ্ট সক্ষম। এইক্ষেত্ৰত মই মোৰ দেউতাৰ পৰা আৰু লগতে মোৰ ভনী আৰু ভনীৰ স্বামীৰ পৰাও আৰ্থিক সহায় পাম।"

এইটো স্পষ্ট যে, উত্তৰদাতা নং ৪-এ কেৱল এটা সাধাৰণ বিবৃতি দিছিল যে, তেওঁৰ দেউতাক, ভনীয়েক আৰু ভনীয়েকৰ স্বামীৰ পৰা আৰ্থিক সহায় লাভ কৰিব। তেওঁ দাখিল কৰা টেণ্ডাৰৰ সৈতে কোনো নথিপত্ৰ বা আনকি হলফনামা বা আন কোনো বিৱৰণ দাখিল কৰা হোৱা নাছিল। তেওঁৰ হাতত কোনো নগদ ধন আছে নে নাই বা আনকি তেওঁৰ কোনো বেংক বেলেন্স আছে নে নাই সেয়াও উল্লেখ কৰা হোৱা নাছিল। এই পৰিস্থিতিত, নিয়ম ২০৬(২)ৰ ব্যৱস্থা অনুসৰণ কৰি তেওঁৰ টেণ্ডাৰ নাকচ কৰিবলগীয়া হৈছিল। নিষ্পত্তিৰ সময়ত কৰ্তৃপক্ষৰ আগত দিব পৰাকৈ নিৰ্দেশকৰ বাবে কোনো সুযোগ থাকিব নোৱাৰে যিবোৰ টেণ্ডাৰ প্ৰপত্ৰত দিব লগা হৈছিল। টেণ্ডাৰ ফৰ্মত সবিশেষ প্ৰদান কৰাৰ প্ৰয়োজনীয়তা স্পষ্টভাৱে হ'ল নিয়ম ২২৩ৰ সুবিধা লাভ কৰিব বিচৰা টেণ্ডাৰৰ বিত্তীয় সামৰ্থ্য নিৰ্ধাৰণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক টেণ্ডাৰ পৰীক্ষা কৰিবলৈ সক্ষম কৰা। তদুপৰি, টেণ্ডাৰ জাননীখনত, দফা ১০-ত তলত উল্লেখ কৰা ধৰণে উল্লেখ কৰা হৈছেঃ

> "দোকানৰ নিষ্পত্তিৰ বাবে টেণ্ডাৰদাতাই টেণ্ডাৰত তেওঁৰ বিত্তীয় ক্ষমতা সম্পৰ্কে সম্পূৰ্ণ তথ্য দিব লাগিব, এনে তথ্যত বিত্তৰ সুস্থিৰতা, হাতত নগদ ধন, বেংকৰ ভাৰসাম্য, নিৰাপত্তা আৰু সম্পত্তি আদিৰ সবিশেষ অন্তৰ্ভুক্ত থাকিব লাগিব। টেণ্ডাৰৰ ওচৰত দোকানৰ নিষ্পত্তি হোৱাৰ আগতে এনে তথ্য উপ-আয়ুক্ত/আন যিকোনো অনুমোদিত ব্যক্তিৰ দ্বাৰা পৰীক্ষা কৰা হ’ব।"

এইটোৱে স্পষ্টভাৱে দেখুৱাইছে যে, এজন টেণ্ডাৰাৰৰ বাবে প্ৰয়োজন অনুসৰি সম্পূৰ্ণ তথ্য প্ৰদান কৰাটো জৰুৰী আছিল যাতে, 'টেণ্ডাৰাৰক দোকানৰ নিষ্পত্তি কৰাৰ আগতে' উপ-আয়ুক্ত বা

আন যিকোনো অনুমোদিত ব্যক্তিৰ দ্বাৰা প্ৰমাণ কৰিব পাৰি (গুৰুত্ব সংযোগ কৰা হৈছে)। বৰ্তমানৰ ক্ষেত্ৰত, সংশ্লিষ্ট কৰ্তৃপক্ষক এনে সুযোগ স্পষ্টভাৱে অস্বীকাৰ কৰা হৈছিল যেতিয়া, উত্তৰদাতা নং ৪-এ তেওঁৰ টেণ্ডাৰৰ সৈতে প্ৰয়োজনীয় বিৱৰণসমূহ প্ৰদান কৰা নাছিল।

সেয়েহে, আমি এই অভিমত পোষণ কৰোঁ যে, ইয়াত উল্লেখ কৰা অনুসৰি বিৱৰণৰ অভাৱৰ বাবে উত্তৰদাতা নং ৪-ৰ টেণ্ডাৰখন নিজেই নাকচ হ'ব পাৰে, সেয়েহে আৰু কোনো প্ৰশ্ন উত্থাপন নহয়। নিয়ম ২০৬ বাধ্যতামূলক নহয় বুলি উচ্চ ন্যায়ালয়ৰ মন্তব্যৰ সৈতে আমি একমত নহয়। উক্ত নিয়মৰ ভাষা স্পষ্ট আৰু দ্ব্যৰ্থহীন। ইয়াত কেৱল কোৱা হোৱা নাই যে, টেণ্ডাৰবোৰ তেওঁলোকৰ প্ৰয়োজনীয় প্ৰ-পত্ৰত থাকিব লাগিব, কিন্তু ইয়াৰ অনুপালনৰ পৰিমাণো নিৰ্ধাৰণ কৰা হৈছে, যাৰ ফলস্বৰূপে সকলো বিৱৰণ নথকা টেণ্ডাৰবোৰ 'নাকচ কৰা হ'ব।

ওপৰোক্ত কাৰণবোৰৰ বাবে, এই আপীলৰ অনুমতি দিয়া হয়। এই আপীলত বিচাৰাধীন খণ্ড বিচাৰপীঠৰ সিদ্ধান্ত বাতিল কৰা হয় আৰু একক ন্যায়াধীশৰ সিদ্ধান্ত পুনৰুদ্ধাৰ কৰা হয়।

টি. এন. এ.

আপীলৰ অনুমতি দিয়া হৈছিল।

..........................................................................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used

for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”

..................